# ৪ আমাৰ চাৰিফালৰ লোকসকল

0337CH04

আমাৰ চাৰিওফালে থকা সকলোৱেই অনন্য-আমাৰ পৰিয়ালৰ সদস্য, শিক্ষক আৰু বন্ধুবৰ্গ। তেওঁলোকৰ নাক, চকু, চুলি, ছাল আৰু মুখ-সকলোবোৰ বেলেগ বেলেগ দেখা যায়। তেওঁলোকে বিভিন্ন উদ্দেশ্যে বিভিন্ন সামগ্ৰীৰে তৈয়াৰ কৰা বিভিন্ন ধৰণৰ কাপোৰ পিন্ধে।







এই অধ্যায়ৰ শেষলৈকে তুমি মানুহৰ শাৰীৰিক বৈশিষ্ট্যসমূহৰ বিশদ বিৱৰণ পৰ্যবেক্ষণ আৰু বৰ্ণনা কৰিবা। তুমি কলাৰ উপাদান, সামগ্ৰী, সেইবোৰৰ আৰ্হি আৰু কি কাৰণে সেইবোৰ আনবোৰৰ পৰা পৃথক দেখা যায় তাৰ অন্বেষণ কৰি নিজৰ বাবে কাপোৰ ডিজাইন কৰিব পাৰিবা।

## কাৰ্যকলাপ ১ পোছাক পৰিধান কৰোঁ আহা!

তুমি সকলো সময়তে একেধৰণৰ কাপোৰ পিন্ধা নেকি?

---

তুমি পিন্ধা বিভিন্ন প্ৰকাৰৰ কাপোৰবোৰ কি কি?

---

---

তুমি তোমাৰ পোছাকৰ কোনো আৰ্হি লক্ষ্য কৰিছানে?

---

তোমাৰ পচন্দৰ পোছাক পিন্ধি নিজৰ এখন ছবি আঁকা। ইয়াক তোমাৰ পচন্দৰ ৰং আৰু আৰ্হি দিয়া। আৰ্হি তৈয়াৰ কৰাৰ সময়ত বিভিন্ন বিন্দু, ৰেখা আৰু আকৃতি ব্যৱহাৰ কৰা।

© NCERT not to be republished

**ধেমালি তথ্য**

যেতিয়া আকৃতিবোৰ বাৰে বাৰে পুনৰাবৃত্তি কৰা হয়, সেইবোৰে এটা **আৰ্হিৰ** সৃষ্টি কৰে।

## কাৰ্যকলাপ ২ কি পিন্ধিবা আৰু কেতিয়া?

তুমি এখন মেলালৈ গৈছা,তুমি কি পৰিধান কৰিবা ?আকাঁ।

বা

তুমি তোমাৰ দাদাৰ বিয়ালৈ যাব ওলাইছা,
তুমি কি পিন্ধিব বিচাৰিবা?
পৰম্পৰাগত পোছাকত নিজকে কল্পনা কৰা
আৰু ইয়াক আঁকা।

বা

তোমাৰ পৰৱৰ্তী জন্মদিনৰ পাৰ্টিৰ বাবে
তুমি কি পিন্ধিবা? ইয়াক আঁকা।

© NCERT not to be republished

# কাৰ্যকলাপ ৩ এখন মুখ আঁকা

এখন মুখ আঁকা আৰু যিকোনো শৈলী আৰু যিকোনো সামগ্ৰী ব্যৱহাৰ কৰি আৰু চকু, কাণ, চুলি, নাক, ওঁঠ আদি যোগ কৰা।




**অব্যাহত ৰাখাঃ হাত, আঙুলি, ভৰি, ভৰিৰ আঙুলি, বা তুমি কল্পনা কৰাৰ দৰে কিবা বেলেগ বৈশিষ্ট্যৰ সৈতে শৰীৰৰ আন অংশ বা সমগ্ৰ শৰীৰটো আঁকা।!**

© NCERT not to be republished

## কাৰ্যকলাপ ৪ হাত আঁকা

© NCERT not to be republished

তোমাৰ নিজৰ হাত

এজন প্ৰাপ্তবয়স্কৰ হাত